**অসম শক্তি উৎপাদন নিগম লিমিটেড**

জাননী

অসম চৰকাৰৰ অধীনস্থ বিদ্যুৎ উৎপাদন কোম্পানী অসম শক্তি উৎপাদন নিগম লিমিটেডে (এপিজিছিএল) 2003 চনৰ বিদ্যুৎ আইনৰ বিধি অনুসৰি 2021-22 বিত্তীয় বৰ্ষৰ হিচাপৰ সত্যতা নিৰ্ধাৰণ (True-up), 2022-23 বিত্তীয় বৰ্ষৰ বাৰ্ষিক ৰাজহ প্ৰয়োজনীয়তাৰ (বাঃৰাঃপ্ৰঃ) পুনৰীক্ষণ (Annual Performance Review) আৰু 2023-24 বিত্তীয় বৰ্ষৰ পুনৰ্নিৰ্ধাৰিত বাঃৰাঃপ্ৰঃ (Revised Aggregate Revenue Requirement) তথা বিদ্যুৎ মাচুলৰ (Tariff) প্ৰস্তাৱৰ অনুমোদন বিচাৰি মাননীয় অসম বিদ্যুৎ নিয়ামক আয়োগৰ ওচৰত এখন আবেদন [আবেদন নং 16/2022] দাখিল কৰিছে। এপিজিছিএলে এই আবেদনখন উক্ত বিত্তীয় বৰ্ষত ইয়াৰ প্ৰস্তাৱিত বিদ্যুৎ উৎপাদন আৰু অসম শক্তি বিতৰণ কোম্পানী লিমিটেডক উক্ত বিদ্যুৎ যোগান ধৰাৰ সন্দৰ্ভত দাখিল কৰিছে।

মাননীয় আয়োগে উল্লিখিত আবেদনখন গ্ৰহণ কৰি এপিজিছিএলক 2003-ৰ বিদ্যুৎ আইনৰ 64(2) ধাৰাৰ অধীনত হিচাপৰ সত্যতা নিৰ্ধাৰণ, পুনৰ্নিৰ্ধাৰিত বাঃৰাঃপ্ৰঃ আৰু বিদ্যুৎ মাচুল সম্পৰ্কীয় আবেদনখনৰ মুখ্য দিশ সমূহ উল্লেখ কৰি এখন জাননী প্ৰকাশ কৰাৰ নিৰ্দেশ দিছে। আবেদনখনৰ মুখ্য দিশ সমূহ তলত দিয়া হ'ল-

**তালিকা-1: 2021-22 বিত্তীয় বৰ্ষৰ সত্যতা নিৰ্ধাৰণৰ আবেদন (কোটি টকা)**

| বিৱৰণ | 2021-22 বিত্তীয় বৰ্ষৰ বাবে অনুমোদিত | সত্যতা নিৰ্ধাৰণত বিচৰা পৰিমাণ |
|---|---|---|
| বিদ্যুৎ উৎপাদন (মিলিয়ন ইউনিট) | | |
| সৰ্বমুঠ উৎপাদন | 1983.52 | 1971.54 |
| প্ৰকৃত উৎপাদন | 1908.28 | 1879.88 |
| অনুসংগিক বিদ্যুৎ ব্যয় | 3.79% | 4.60% |
| নিৰ্ধাৰিত মাচুল | | |
| পৰিচালন আৰু তত্বাৱধান | 135.39 | 152.34 |
| বিদ্যুৎ নিয়ামক আয়োগক কৰা আবেদনৰ বৰ্ধিত নিৰিখ | 0.30 | 0.30 |
| সুদ আৰু বিত্তীয় মাচুল | 56.79 | 79.04 |
| কাৰ্যকৰী মূলধনৰ বাবদ সুদ | 15.10 | 21.12 |
| অৱমূল্যায়ন | 59.52 | 80.87 |
| ইকুইটিৰ প্ৰতিপ্ৰাপন | 54.11 | 100.87 |
| আয়কৰ | 0.00 | 43.49 |
| বিশেষ মেৰামতি আৰু তত্বাৱধান | 30.00 | 5.76 |
| মানৱ সম্পদ উন্নয়ন | 0.40 | 0.20 |
| বিয়োগ: অন্যান্য আয় | -22.09 | -30.72 |
| মুঠ নিৰ্ধাৰিত মাচুল (ক) | **329.52** | **453.26** |
| ইন্ধন ব্যয় (খ) | **201.60** | **261.76** |
| মুঠ ৰাজহ প্ৰয়োজনীয়তা (গ)= (ক)+(খ) | **531.12** | **715.02** |
| অনুসংগিক উৎপাদনৰ অনুপ্ৰেৰক | 0.00 | 2.07 |
| মুঠ ব্যয় | **531.12** | **717.09** |
| বিদ্যুৎ বিক্ৰীৰ বাবদ পোৱা ৰাজহ | **531.12** | **578.08** |
| ঘাটি (+) / অতিৰিক্ত (-) ৰাজহ | **0.00** | **139.01** |

এপিজিছিএলে 2021-22 বিত্তীয় বৰ্ষৰ ৰাজহ ঘাটি 2023-24 বিত্তীয় বৰ্ষৰ  বিদ্যুৎ মাচুলৰ জৰীয়তে বাৰটা সমান মাহিলি কিস্তিত আদায় কৰিবলৈ প্ৰস্তাৱ জনাইছে। 2021-22 বিত্তীয় বৰ্ষৰ সত্যতা নিৰ্ধাৰণৰ সৰ্বমুঠ ৰাজহ ঘাটিৰ পৰিমাণ তলৰ তালিকা 2-ত দিয়া হ'ল:

তালিকা 2: 2021-22 বিত্তীয় বৰ্ষৰ সত্যতা নিৰ্ধাৰণত বিচৰা পৰিমান (কোটি টকা)

| সত্যতা নিৰ্ধাৰণত বিচৰা পৰিমান | FY 2021-22 |
|---|---|
| 2021-22 ৰ ৰাজহ ঘাটি | 139.01 |
| 2021-22 বৰ্ষৰ বাবদ সুদ @ 10.58% (আধা বৰ্ষ) | 7.35 |
| 2022-23 বৰ্ষৰ বাবদ সুদ @ 10.58% (পুৰ্ণ বৰ্ষ) | 14.71 |
| 2023-24 বৰ্ষৰ বাবদ সুদ @ 10.58% (আধা বৰ্ষ) | 7.35 |
| সৰ্বমুঠ ৰাজহ ঘাটি | 168.42 |

তালিকা 3: উৎপাদন কেন্দ্ৰ ভিত্তিক 2022-23 বিত্তীয় বৰ্ষৰ বাৰ্ষিক ৰাজহ প্ৰয়োজনীয়তাৰ পুনৰীক্ষণৰ আবেদন (কোটি টকা)

| বিৱৰণ | নামৰূপ তাঃবিঃকেঃ | লাকুৱা তাঃবিঃকেঃ | কাৰ্বি লাংপি জঃবিঃকেঃ | লাকুৱা ৰিপ্লেছমেণ্ট বিঃকেঃ | নামৰূপ ৰিপ্লেছমেণ্ট বিঃকেঃ |
|---|---|---|---|---|---|
| বিদ্যুৎ উৎপাদন (মিলিয়ন ইউনিট) | | | | | |
| সৰ্বমুঠ উৎপাদন | 177.56 | 487.20 | 397.77 | 503.34 | 449.05 |
| প্ৰকৃত উৎপাদন | 168.69 | 452.90 | 395.78 | 485.72 | 426.60 |
| অনুসংগিক বিদ্যুৎ ব্যয় | 4.99% | 7.04% | 0.50% | 3.50% | 5.00% |
| নিৰ্ধাৰিত মাচুল | | | | | |
| পৰিচালন আৰু তত্বাৱধান | 21.35 | 42.67 | 35.01 | 30.27 | 44.79 |
| বিদ্যুৎ নিয়ামক আয়োগক কৰা আবেদনৰ বৰ্ধিত নিৰিখ | 0.10 | 0.10 | 0.00 | 0.10 | 0.00 |
| সুদ আৰু বিত্তীয় মাচুল | 0.07 | 0.08 | 18.01 | 1.11 | 57.02 |
| কাৰ্যকৰী মূলধনৰ বাবদ সুদ | 4.49 | 12.16 | 3.64 | 10.68 | 11.15 |
| অৱমূল্যায়ন | 1.42 | 14.13 | 22.93 | 13.56 | 42.08 |
| ইকুইটিৰ প্ৰতিপ্ৰাপন | 8.90 | 23.05 | 23.94 | 12.50 | 34.70 |
| বিশেষ মেৰামতি  আৰু তত্বাৱধান | 2.58 | 24.50 | 28.08 | 32.72 | 18.50 |
| বিয়োগ: অন্যান্য আয় | -7.13 | -9.22 | -5.75 | 0.00 | 0.00 |
| মুঠ নিৰ্ধাৰিত মাচুল (ক) | **31.78** | **107.47** | **125.86** | **100.94** | **208.23** |
| ইন্ধন ব্যয় (খ) | **116.05** | **323.03** | | **290.15** | **214.28** |
| মুঠ ৰাজহ প্ৰয়োজনীয়তা (গ)= (ক)+(খ) | **147.82** | **430.50** | **125.86** | **391.09** | **422.52** |
| বিদ্যুৎ বিক্ৰীৰ বাবদ পোৱা ৰাজহ | **83.60** | **283.60** | **98.17** | **237.02** | **235.43** |
| ঘাটি (+) / অতিৰিক্ত (-)  ৰাজহ | **64.23** | **146.90** | **27.68** | **154.07** | **187.08** |

তালিকা 4: উৎপাদন কেন্দ্ৰ ভিত্তিক 2023-24 বিত্তীয় বৰ্ষৰ পুনৰ্নিৰ্ধাৰিত বাৰ্ষিক ৰাজহ প্ৰয়োজনীয়তাৰ আবেদন (কোটি টকা)

| বিৱৰণ | নামৰূপ তাঃবিঃকেঃ | লাকুৱা তাঃবিঃকেঃ | কাৰ্বি লাংপি জঃবিঃকেঃ | লাকুৱা ৰিপ্লেছমেণ্ট বিঃকেঃ | নামৰূপ ৰিপ্লেছমেণ্ট বিঃকেঃ |
|---|---|---|---|---|---|
| বিদ্যুৎ উৎপাদন (মিলিয়ন ইউনিট) | | | | | |

| | | | | | |
|---|---|---|---|---|---|
| সৰ্বমুঠ উৎপাদন | 179.58 | 425.74 | 390.00 | 519.40 | 732.69 |
| প্ৰকৃত উৎপাদন | 171.50 | 402.32 | 388.05 | 501.22 | 696.05 |
| অনুসংগিক বিদ্যুৎ ব্যয় | 4.50% | 5.50% | 0.50% | 3.50% | 5.00% |
| নিৰ্ধাৰিত মাচুল | | | | | |
| পৰিচালন আৰু তত্বাৱধান | 23.09 | 44.91 | 36.85 | 31.86 | 47.15 |
| বিদ্যুৎ নিয়ামক আয়োগক কৰা আবেদনৰ বৰ্ধিত নিৰিখ | 0.10 | 0.10 | 0.00 | 0.10 | 0.00 |
| সুদ আৰু বিত্তীয় মাচুল | 0.27 | 3.17 | 18.31 | 0.14 | 51.32 |
| কাৰ্যকৰী মূলধনৰ বাবদ সুদ | 5.00 | 12.33 | 3.27 | 11.92 | 13.81 |
| অৱমূল্যায়ন | 1.52 | 15.90 | 24.13 | 13.78 | 42.70 |
| ইকুইটিৰ প্ৰতিপ্ৰাপন | 8.90 | 23.05 | 23.94 | 12.50 | 34.70 |
| বিশেষ মেৰামতি  আৰু তত্বাৱধান | 0.8 | 26.05 | 0.00 | 9.37 | 74.00 |
| বিয়োগ: অন্যান্য আয় | -7.13 | -9.22 | -5.75 | 0.00 | 0.00 |
| মুঠ নিৰ্ধাৰিত মাচুল (ক) | **32.56** | **116.29** | **100.74** | **79.67** | **263.67** |
| ইন্ধন ব্যয় (খ) | **131.93** | **320.17** | | **349.07** | **274.37** |
| মুঠ ৰাজহ প্ৰয়োজনীয়তা (গ)= (ক)+(খ) | **164.48** | **436.47** | **100.74** | **428.74** | **538.05** |
| নিৰ্ধাৰিত মূল্য (টকা প্ৰতি ইউনিট) | 1.90 | 2.89 | 1.30 | 1.59 | 3.79 |
| ইন্ধন মূল্য (টকা প্ৰতি ইউনিট) | 7.69 | 7.96 | 1.30 | 6.96 | 3.94 |
| প্ৰস্তাৱিত বিদ্যুৎ মাচুল (টকা প্ৰতি ইউনিট) | 9.59 | 10.85 | 2.60 | 8.55 | 7.73 |

তালিকা 5: 2023-24 বিত্তীয় বৰ্ষৰ বাবে প্ৰস্তাবিত বিদ্যুৎ মাচুল

| কেন্দ্ৰ | বিৱৰণ | বিত্তীয় বৰ্ষ 2023-24 |
|---|---|---|
| নামৰূপ তাঃবিঃকেঃ | বাৰ্ষিক নিৰ্ধাৰিত মূল্য (কোটি টকা) | 32.56 |
| | মাহিলি নিৰ্ধাৰিত মূল্য (কোটি টকা) | 2.71 |
| | ইন্ধন ব্যয়ৰ নিৰিখ (টকা প্ৰতি ইউনিট) | 7.69 |
| লাকুৱা তাঃবিঃকেঃ | বাৰ্ষিক নিৰ্ধাৰিত মূল্য (কোটি টকা) | 116.29 |
| | মাহিলি নিৰ্ধাৰিত মূল্য (কোটি টকা) | 9.69 |
| | ইন্ধন ব্যয়ৰ নিৰিখ (টকা প্ৰতি ইউনিট) | 7.96 |
| কাৰ্বি লাংপি জঃবিঃকেঃ | বাৰ্ষিক নিৰ্ধাৰিত মূল্য (কোটি টকা) | 100.74 |
| | বাৰ্ষিক ক্ষমতাৰ মূল্য (কোটি টকা) | 50.37 |
| | শক্তিৰ মাচুলৰ নিৰিখ (টকা প্ৰতি ইউনিট) | 1.30 |
| লাকুৱা ৰিপ্লেছমেণ্ট বিঃকেঃ | বাৰ্ষিক নিৰ্ধাৰিত মূল্য (কোটি টকা) | 79.67 |
| | মাহিলি নিৰ্ধাৰিত মূল্য (কোটি টকা) | 6.64 |
| | ইন্ধন ব্যয়ৰ নিৰিখ (টকা প্ৰতি ইউনিট) | 6.96 |
| নামৰূপ ৰিপ্লেছমেণ্ট বিঃকেঃ | বাৰ্ষিক নিৰ্ধাৰিত মূল্য (কোটি টকা) | 263.67 |
| | মাহিলি নিৰ্ধাৰিত মূল্য (কোটি টকা) | 21.97 |
| | ইন্ধন ব্যয়ৰ নিৰিখ (টকা প্ৰতি ইউনিট) | 3.94 |
| পূৰ্বৰ ৰাজহঃ ঘাটি / (অতিৰিক্ত) | ক্ৰমবৰ্দ্ধিত পূৰ্বৰ ৰাজহঃ ঘাটি / (অতিৰিক্ত)(কোটি টকা) | 139.01 |
| | এপিডিছিএলৰ পৰা প্ৰাপ্য মাহিলি পৰিমাণ (কোটি টকা) | 11.58 |

ইয়াৰ লগতে, আয়োগৰ নিৰ্দেশ মৰ্মে বিদ্যুৎ গ্ৰাহক আৰু অন্যান্য ইচ্ছুক ব্যক্তিয়ে বিজুলী ভৱন, গুৱাহাটী-1 স্থিত অসম শক্তি উৎপাদন নিগমৰ মুখ্য মহা প্ৰৱন্ধক (উৎপাদন) কাৰ্যালয়ৰ পৰা বিদ্যুৎ মাচুলৰ আবেদন পত্ৰ (Tariff Petition) আৰু অন্যান্য সংশ্লিষ্ট নথি-পত্ৰ, "Deputy General Manager (F&A), O/o the MD, APGCL, Bijulee Bhawan, Guwahati-1" ৰ নামত ডিমাণ্ড ড্ৰাফ্ট অথবা নগদ যোগে 300/- (তিনিশ) টকা আদায় দি সংগ্ৰহ কৰিব পাৰিব। উপৰোক্ত নথি-পত্ৰসমূহ অসম বিদ্যুৎ নিয়ামক আয়োগৰ জালস্থান (website) www.aerc.nic.in আৰু অসম শক্তি উৎপাদন নিগমৰ জালস্থান www.apgcl.org টো উপলব্ধ।

ইয়াৰ উপৰিও অয়োগৰ নিৰ্দেশ মৰ্মে ইচ্ছুক ব্যক্তিয়ে এপিজিছিএলৰ প্ৰস্তাৱিত পুনৰ্নিৰ্ধাৰিত বা:ৰা:প্ৰ: (Revised ARR) আৰু বিদ্যুৎ মাচুলৰ আবেদন সম্পৰ্কত 2004 চনৰ অসম বিদ্যুৎ নিয়ামক আয়োগ (কণ্ডাক্ট অফ বিজ্‌নেছ) বিধিৰ 2 নং প্ৰ-পত্ৰত শপতনামা আৰু সংশ্লিষ্ট নথি-পত্ৰ আৰু সাক্ষৰ প্ৰতিলিপিসহ আপত্তি বা মতামত অসম বিদ্যুৎ নিয়ামক আয়োগৰ সচিবক দাখিল কৰিব পাৰিব। এনে আপত্তি বা মতামতৰ পাঁচোটাকৈ প্ৰতিলিপি অহা **21/01/2023** তাৰিখৰ ভিতৰত "**The Secretary, Assam Electricity Regulatory Commission, ASEB Campus, Dwarandhar, G.S.Road, Sixth Mile, Guwahati-22**" – এই ঠিকনাত পোৰাকৈ পঞ্জীকৃত ডাকযোগে অথবা ব্যক্তিগতভাৱে দাখিল কৰিব লাগিব। আয়োগৰ সচিবক দাখিল কৰা আপত্তি/মতামতৰ এটা প্ৰতিলিপি উল্লিখিত তাৰিখৰ ভিতৰত Managing Director, APGCL, Bijulee Bhawan, Guwahati-1" লৈ পঠাব লাগিব আৰু পঠোৱাৰ প্ৰমাণ আয়োগক দাখিল কৰিব লাগিব। লগতে, দাখিল কৰা আপত্তি/মতামতৰ ৱৰ্ড ফাইল মাননীয় আয়োগক **aerc_ghy@hotmail.com** আৰু এপিজিছিএলক **info@apgcl.org** –ত উল্লিখিত তাৰিখৰ ভিতৰত ইমেইল যোগে দাখিল কৰিব লাগিব।

আয়োগে পূৰ্ব নিৰ্ধাৰিত তাৰিখ আৰু স্থানত আপত্তি/মতামত দাখিল কৰা ব্যক্তিৰ শুনানি ল'ব। এনে শুনানিৰ তাৰিখ আৰু স্থান সম্পৰ্কে পিচত জাননী দিয়া হ'ব। আপত্তি/মতামত দাখিল কৰা ব্যক্তিয়ে সোঁশৰীৰে আয়োগৰ শুনানীত উপস্থিত থাকিব নে নাই সেই সম্পৰ্কেও উল্লেখ কৰিব লাগিব।

মুখ্য মহা প্ৰৱন্ধক (উৎপাদন)
এপিজিছিএল, গুৱাহাটী